# কৃতজ্ঞতা স্বীকাৰ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত ‘শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি এটি অধ্যয়ন’ শীৰ্ষক বিষয়ত পিএইছ.ডি ডিগ্ৰীৰ বাবে গৱেষণা কৰাৰ সুবিধা দিয়াৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গৱেষণা কৰ্মটিৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি গৱেষণা কৰ্মটি সুচাৰুৰূপে আৰু সুচলৰূপে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা আমাৰ গৱেষণা তত্ত্বাৱধায়ক দুধনৈ কলেজৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভা ছাৰলৈ আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কৰ্মময় জীৱনৰ ব্যস্ততাৰ মাজতো আমাৰ গৱেষণা কৰ্মৰ প্ৰতিটো দিশৰে ভুল-ত্ৰুটি শুধৰাই দি তেখেতে আমাক কৃতাৰ্থ কৰিছে। আমাৰ গৱেষণাক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত তেখেতৰ নিৰলস সহায় আৰু সহযোগিতাৰ বাবে আমি তেখেতৰ ওচৰত চিৰঋণী হৈ থাকিলোঁ। প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ শিক্ষাগুৰু তৰণী ডেকা ছাৰলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা বিভা ভৰালী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ এই গৱেষণা কৰ্মটি সুচাৰুৰূপে আগবঢ়াই নিবলৈ বিভিন্ন নীতি-নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰা অসমীয়া বিভাগৰ অধ্যাপিকা ড° দীপ্তি ফুকন পাটগিৰি বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰফুল্ল নাথ ছাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ বহুমূলীয়া পৰামৰ্শই গৱেষণা কৰ্মটিক অধিক সুচল কৰি তুলিছে। অসমীয়া বিভাগৰ অধ্যাপিকা প্ৰণীতা দেৱী বাইদেৱে আমাৰ এই গৱেষণা কাৰ্যটি আগবঢ়োৱাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ দি আমাক কৃতাৰ্থ কৰিছে। এই ছেগতে বাইদেউলৈ আমাৰ কৃতজ্ঞতা আৰু শলাগ যাচিলোঁ। অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা তথা আমাৰ শিক্ষাগুৰু ড° মালিনী গোস্বামী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° উপেন ৰাভা হাকাচাম ছাৰকে প্ৰমুখ্য কৰি দিপামনি হালৈ মহন্ত, বিমল মজুমদাৰ, ড° কামালুদ্দিন আহমেদ, বনানী চক্ৰৱৰ্ত্তী, ৰেখাৰাণী দেৱী, প্ৰাঞ্জল শৰ্মা বশিষ্ঠ ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ গৱেষণা কৰ্মৰ বাবে প্ৰয়োজনীয় বিভিন্ন ধৰণৰ পুথি-পাঁজি, আলোচনী আৰু বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য-পাতি যোগান ধৰি সহায়ৰ হাত আগবঢ়োৱা আমাৰ পৰম শ্ৰদ্ধাৰ সোণবৰ বৰুৱাক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ সহায় অবিহনে এই বিশাল গৱেষণা কৰ্মটিৰ পাৰ পোৱাটো সম্ভৱ নহ’লহেতেন।

গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য-পাতি লাভৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা বৰভাগ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ, মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ তথা 'Tribal Research institute'ৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যিসকল প্ৰতিষ্ঠিত আৰু অপ্ৰতিষ্ঠিত লেখক আৰু গৱেষকৰ গ্ৰন্থ অধ্যয়নৰ দ্বাৰা আমাৰ গৱেষণা কৰ্মক গ্ৰন্থৰূপ দিবলৈ সক্ষম হলো সেইসকল শ্ৰদ্ধেয় লেখক আৰু গৱেষকলৈ আমাৰ কৃতজ্ঞতা জনালোঁ। বিভিন্ন প্ৰসংগত প্ৰয়োজনীয় প্ৰাথমিক তথ্য বিচাৰি যাওঁতে যিসকল ব্যক্তিয়ে আমাক তথ্যৰ যোগান ধৰি উপকৃত কৰিলে তেনে প্ৰতিগৰাকী সংবাদদাতা আৰু সংবাদদাত্ৰীলৈ শলাগ আৰু কৃতজ্ঞতা জনালোঁ।

আনুষ্ঠানিক শিক্ষাৰ উচ্চ পৰ্য্যালয়লৈ নগলেও আমাক শিক্ষাৰ শিখৰত বহুৱাবলৈ আজীৱন প্ৰচেষ্টা চলাই যোৱা মোৰ স্বৰ্গগত পিতৃদেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত আৰু কৃতজ্ঞতা জনালোঁ।

গৱেষণা কৰ্মটিৰ কাম কিমান হৈছে বুলি অনৱৰতে সুধি আমাক উৎসাহিত কৰা মা, দাদা, শাহুমা, পিতা, ভণ্টি, ভাইটি, বৌ, পিঞ্চু, মাঞ্চী, বাবু, মাইনা আৰু আমাৰ বন্ধু-বান্ধৱী তথা শুভাকাংক্ষী সকলক এই ছেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংসাৰিক সকলো বোজা মূৰ পাতি লৈও গৱেষণা কৰ্মৰ ইটো-সিটো তথ্য যোগানকে ধৰি কায়িক তথা মানসিক দিশেৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা তথা উৎসাহিত কৰা মোৰ স্বামী প্ৰাঞ্জল ভূঞালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁৰ উৎসাহ আৰু অনুপ্ৰেৰণা অবিহনে আমাৰ এই গবেষণা কৰ্মই কেতিয়াও সফলতাৰ মুখ দেখা নাপালেহেঁতেন।

গৱেষণা গ্ৰন্থখনি ছপাৰ ক্ষেত্ৰত দায়িত্ব লোৱা পূৰালী কম্পিউটাৰৰ কৰ্মকৰ্তাসকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অক্ষৰ বিন্যাসৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা অঞ্জন শৰ্মালৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে কম্পিউটাৰৰ প্ৰতিটো দিশ চাই -চিটি দিয়াৰ বাবে বীৰেন ডেকালৈও ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শিখা দাস